**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date :03-08-2025 **Time :** 1205Hrs.

**Assamese Midday Bulletin**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটী পৌৰসভাৰ অন্তৰ্গত জালুকবাৰীৰ ৰামচাৰী আঞ্চলিক গাওঁপঞ্চায়তত অনুষ্ঠিত এটা অনুষ্ঠানত উপস্থিত হৈ মহিলা উদ্যমিতা আঁচনিৰ অন্তৰ্গত মহিলা হিতাধিকাৰীক চেক প্ৰদান কৰে। আজাৰাৰ কাহিকুঁচি শ্যামভূমি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এই অনুষ্ঠানত আত্মসহায়ক গোটৰ অন্তৰ্গত ৭ হাজাৰ ৪৭৪ গৰাকী মহিলা হিতাধিকাৰীক এই চেকসমূহ প্ৰদান কৰা হয়। প্ৰাৰম্ভিকভাৱে এই চেকসমূহত হিতাধিকাৰীসকলক ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনাই যে মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে বৰ্তমানৰ স্বনিৰ্ভৰশীল মহিলাসকলক সবল কৰি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৰাজ্য চৰকাৰে আজি ৰাজ্যিক ক্ৰীড়া দিৱস উদযাপন কৰিছে। ১৯৬৬ চনৰ এছিয়ান গেম্‌ছত স্বৰ্ণ পদক অৰ্জনেৰে ইতিহাস ৰচা প্ৰসিদ্ধ ক্ৰীড়াবিদগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটীত বিয়লি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত সৰুসজাই ক্ৰীড়া প্ৰকল্পক অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প হিচাপে নামকৰণ কৰা হ'ব। এই অনুষ্ঠানতে ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পদক বিজয়ী অসমৰ খেলুৱৈসকলক নিযুক্তি পত্ৰ আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত ২০২৫-২৬ বৰ্ষৰ ৰাজ্যিক ক্ৰীড়া বঁটা ঘোষণা আৰু ক্ৰীড়া পেঞ্চন প্ৰদান কৰা হ'ব। খেল' ইণ্ডিয়া, ২০২৫ বৰ্ষৰ পদক বিজয়ীসকলক আৰ্থিক পুৰস্কাৰ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলক বীৰ চিলাৰায় বঁটাও প্ৰদান কৰা হ'ব। ৰাজ্যিক সেৰা আঁচনিৰ বঁটাসমূহো এই অনুষ্ঠানতে বিতৰণ কৰা হ'ব। ১৭ বছৰ অনুৰ্ধ ছোৱালীৰ সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে খেল মহাৰণ বিষয়ক গ্ৰন্থ উন্মোচন কৰা হ'ব।

ইপিনে, ক্ৰীড়াবিদগৰাকীৰ জন্মদিন উপলক্ষে আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অভিৰুচি ক্ৰীড়া দিৱস উদযাপন কৰা হৈছে। এই অনুসৰি দিৱসৰ মূল কাৰ্যসূচী – সামুহিক দৌৰ এইবাৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হৈ ভেটাপাৰা হকী ষ্টেডিয়াম পৰিভ্ৰমণ কৰি পুনৰ সৰুসজাইৰ মূল এথলেটিক ষ্টেডিয়ামত সামৰণি পৰে।

গোলাঘাট জিলাৰ ফৰকাটিং ক্ৰীড়া সন্থা আৰু বোকাখাত জিলা মাষ্টাৰ্ছ এথলেটিক ক্ৰীড়া সন্থাৰ উদ্যোগত আজি অভিৰুচি ক্ৰীড়া দিৱসৰ সমূহীয়া দৌৰ অনুষ্ঠিত হয়। এই দৌৰত বোকাখাত মাষ্টাৰ্ছ এথলেটিক সন্থাৰ লগতে নামদৈয়াং স্পৰ্ট্‌ছ ক্লাব আৰু কেইবাটাও ক্ৰীড়ানুষ্ঠানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। মঙলদৈত আজি নৰ্থ-মঙলদৈ ক্লাবৰ উদ্যোগত অভিৰুচি ক্ৰীড়া দিৱস অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বক্সিং খেলুৱৈ যমুনা বড়ো, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ ক্ৰীড়াবিদ বিশাল ভৰদ্বাজ আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰাক্তন ফুটবল, কাবাডী আৰু খো খো খেলুৱৈ তথা ক্ৰীড়া সংগঠক গণেশ দত্তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পূৰ্বে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে সমূহীয়া দৌৰ ফ্লেগ অফ কৰে। অভিৰুচি ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি

ভোগেশ্বৰ বৰুৱাৰ জন্মস্থান শিৱসাগৰতো ৰূপজ্যোতি ক্লাবৰ উদ্যোগত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱা পতাকা উত্তোলন, অগ্নিশিখা প্ৰজ্বলনৰ পিছতে সমদল উলিওৱা হয়। যোৰহাটতো আজি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হৈছে। এই উপলক্ষে কমাৰ বন্ধাৰ জয়হিন্দ পুঁথিভৰাল আৰু ক্লাব তথা কমাৰবন্ধা ক্ৰীড়া সন্থাৰ যুটীয়া প্ৰচেষ্টাত তেলিয়াপতি তিনিআলিৰ পৰা কমাৰবন্ধা তিনিআলিলৈ ১১ কিলোমিটাৰ হাফ মাৰাথন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৫শৰো অধিক ছাত্ৰ-ছাত্ৰী আৰু পুৰুষ-মহিলাই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

0000000

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৰন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ – এই তিনিটা নম্বৰৰ যিকোনো এটা নম্বৰলৈ হোৱাট্ছএপযোগে পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু শ্ৰেষ্ঠ বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

000000

0000000